**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 02-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা ৫ খন ৰাষ্ট্ৰ ভ্ৰমণলৈ ৰাওনা হ'ব। আজি প্ৰথম দিনা প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ঘানা ভ্ৰমণ কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত-আমেৰিকাৰ প্ৰতিৰক্ষা সম্পৰ্কৰ কৌশলগত গুৰুত্বৰ সন্দৰ্ভত আলোকপাত কৰে।

৩। চি বি আইয়ে ধনৰ বিনিময়ত অনুকূল নিৰীক্ষণ প্ৰতিবেদন দাখিল কৰাৰ অভিযোগত তিনিগৰাকী চিকিৎসকৰ লগতে এই ঘটনাৰ সৈতে জড়িত আন তিনিগৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে।

৪। কৈলাস মান সৰোবৰলৈ যাত্ৰা কৰা প্ৰথমটো তীৰ্থযাত্ৰীৰ দল সফলতাৰে যাত্ৰা সামৰি কালি গেংটকত উপস্থিত হৈছে। *আৰু*

৫। মহিলাৰ টি-২০ ক্ৰিকেটত ভাৰতে দ্বিতীয়খন খেলত ইংলেণ্ডক ২৪ ৰানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা ৫ খন ৰাষ্ট্ৰ ভ্ৰমণলৈ ৰাওনা হ'ব। আজি প্ৰথম দিনা প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ঘানা ভ্ৰমণ কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰীগৰাকীৰ ঘানালৈ প্ৰথমটো দ্বিপাক্ষিক ভ্ৰমণ। তেওঁ এই ভ্ৰমণৰ সময়ছোৱাত ঘানাৰ ৰাষ্ট্ৰপতি জন ড্ৰমানী মাহামাৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োখন ৰাষ্ট্ৰই দ্বিপাক্ষিক অংশীদাৰিত্ব শক্তিশালী কৰাৰ লগতে অৰ্থনৈতিক, শক্তিখণ্ড আৰু প্ৰতিৰক্ষা সহযোগিতা তথা উন্নয়নমূলক সহযোগিতা অংশীদাৰিত্বৰ সন্দৰ্ভত পৰ্যালোচনা কৰিব। কাইলৈৰ পৰা শ্ৰীমোদীয়ে ত্ৰিনিদাদ আৰু টবেগ' ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ত্ৰিনিদাদ আৰু টবেগ'ৰ ৰাষ্ট্ৰপতি ক্ৰিষ্টিন কাৰ্লা কংগালু আৰু প্ৰধানমন্ত্ৰী কমলা পৰসাদ বিশ্বেছৰৰ সৈতে বাৰ্তালাপ কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে দ্বীপ ৰাষ্ট্ৰখনৰ সংসদৰ যুটীয়া অধিৱেশন সম্বোধন কৰাৰ সম্ভাৱনা আছে। অহা শুকুৰবাৰৰ পৰা প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে আৰ্জেণ্টিনা ভ্ৰমণ কৰিব। আৰ্জেণ্টিনাত তেওঁ ৰাষ্ট্ৰপতি মাইলীৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সন্দৰ্ভত আলোচনা কৰাৰ সম্ভাৱনা আছে। দুয়োগৰাকী নেতাই ভাৰত আৰু আৰ্জেণ্টিনাৰ মাজত প্ৰতিৰক্ষা, কৃষি, খনিজ, তেল আৰু প্ৰাকৃতিক গেছ, পুনৰ নৱীকৰণযোগ্য শক্তি, বাণিজ্য আৰু বিনিয়োগ সন্দৰ্ভত পৰ্যালোচনা কৰিব।

অহা ৫ৰ পৰা ৮ জুলাইৰ ভিতৰত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ব্ৰাজিল ভ্ৰমণ কৰিব। তাত তেওঁ সপ্তদশ ব্ৰীকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ ব্ৰাজিললৈ চতুৰ্থবাৰৰ বাবে ভ্ৰমণ। সপ্তদশ ব্ৰীকছ্ শীৰ্ষ সন্মিলন ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত হ'ব। এই সন্মিলনত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে গোলকীয় প্ৰশাসন, শান্তি আৰু নিৰাপত্তা, বহুপাক্ষিক সম্পৰ্ক শক্তিশালী কৰা, কৃত্ৰিম বুদ্ধিমত্তাৰ ইতিবাচক ব্যৱহাৰ, জলবায়ু, গোলকীয় স্বাস্থ্য, অৰ্থনীতি আৰু বিত্তীয় বিষয়সমূহৰ সংস্কাৰ সাধনৰ উদ্দেশ্যে আন আন নেতাসকলৰ সৈতে মত বিনিময় কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৯ জুলাইত নামিবিয়া ভ্ৰমণেৰে তেওঁৰ ভ্ৰমণ সামৰিব। এয়া হ'ব শ্ৰীমোদীৰ নামিবিয়ালৈ প্ৰথমটো ভ্ৰমণ। এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি নন্দী নডেতৱাহৰ সৈতে দ্বিপাক্ষিক বিষয় সন্দৰ্ভত বাৰ্তালাপ কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি নিশা পেন্টাগনত আমেৰিকাৰ প্ৰতিৰক্ষা সচিব পীট হেগছেথক সাক্ষাৎ কৰে। বৈদেশিক মন্ত্ৰীগৰাকীয়ে ভাৰত-আমেৰিকাৰ প্ৰতিৰক্ষা সম্পৰ্কৰ কৌশলগত গুৰুত্বৰ ওপৰত আলোকপাত কৰি ইয়াক দ্বিপাক্ষিক সম্পৰ্কৰ এটা অন্যতম স্তম্ভ বুলি অভিহিত কৰে। ৱাশ্বিংটনত অনুষ্ঠিত হোৱা কোৱাড বৈদেশিক মন্ত্ৰীগোটৰ বৈঠকৰ পিছতে এই আলোচনা অনুষ্ঠিত হয়। আমেৰিকাৰ প্ৰতিৰক্ষা সচিব পিট হেগছেথে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষাখণ্ডৰ ক্ৰমবৰ্ধমান অংশীদাৰিত্বক লৈ উৎসাহ প্ৰকাশ কৰে। তেঁও লগতে ভাৰতৰ সশস্ত্ৰ বাহিনীত আমেৰিকাৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ একত্ৰীকৰণৰ ওপৰত আলোকপাত কৰি ঔদ্যোগিক সহযোগিতা সম্প্ৰসাৰণৰ লক্ষ্যৰ বিষয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বিগত ফেব্ৰুৱাৰী মাহত আমেৰিকা ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে ভাৰত-আমেৰিকা প্ৰতিৰক্ষা অংশীদাৰিত্ব সম্বন্ধীয় এখন দহ বছৰীয়া চুক্তি স্বাক্ষৰ কৰাৰ পৰিকল্পনাৰ কথা ঘোষণা কৰিছিল। ভাৰতৰ সামৰিক খণ্ডত আমেৰিকাৰ প্ৰতিৰক্ষা সামগ্ৰীৰ উল্লেখযোগ্য অন্তৰ্ভুক্তিকৰণকো দুয়োগৰাকী নেতাই আদৰণি জনাইছিল।

০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা- চি বি আইয়ে ধনৰ বিনিময়ত অনুকূল নিৰীক্ষণ প্ৰতিবেদন দাখিল কৰাৰ অভিযোগত তিনিগৰাকী চিকিৎসকৰ লগতে এই ঘটনাৰ সৈতে জড়িত আন তিনিগৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে। নিৰীক্ষণকাৰী চিকিৎসক আৰু অন্যান্য সহযোগীকেইগৰাকীমানে অন্যায়ভাৱে ধনৰ বিনিময়ত অনুকূল নিৰীক্ষণ প্ৰতিবেদন দাখিল কৰাৰ বাবে চি বি আইয়ে চত্তিশগড়ৰ নৱ ৰায়পুৰত থকা শ্ৰীৰাৱতপুৰা সৰকাৰ চিকিৎসা বিজ্ঞান আৰু গৱেষণা প্ৰতিষ্ঠানৰ বিয়াৰাৰৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছে। এই চিকিৎসক তথা চিকিৎসা কৰ্মীসকলে ধনৰ বিনিময়ত বিভিন্ন চিকিৎসা মহাবিদ্যালয়লৈ অনুকূল নিৰীক্ষণ প্ৰতিবেদন পঠোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত ছগৰাকী লোকে উৎকোচ লৈ থকাৰ সময়তে চিবিআইৰ বিষয়াই তেওঁলোকক ধৰা পেলায়। ঘটনা সন্দৰ্ভত চিবিআইয়ে ছখন ৰাজ্যৰ মুঠ ৪০টা স্থানত অভিযান চলাইছে।

০০০০০

চাইবাৰ অপৰাধ প্ৰতিৰোধ সন্দৰ্ভত কাইলৈ গৃহ পৰিক্ৰমা বিভাগৰ সংসদীয় স্থায়ী সমিতিৰ এখন বৈঠক অনুষ্ঠিত হ'ব। বিজেপিৰ সাংসদ ৰাধামোহন দাস আগৰৱালাই এই সমিতিৰ নেতৃত্ব দিব। সমিতিখনে চাইবাৰ অপৰাধ- পৰিনাম, সুৰক্ষা আৰু প্ৰতিৰোধ সন্দৰ্ভত মন্ত্ৰী আৰু সংস্থাসমূহৰ মতামত গ্ৰহণ কৰিব। সমিতিখনে বিত্ত সেৱা বিভাগ, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ বেংক তথা অন্যান্য অংশীদাৰীসকলৰ মতামতো গ্ৰহণ কৰিব। সমিতিখনে কাইলৈ হ'বলগীয়া এই বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু কৰ্পৰেট মন্ত্ৰালয়ৰ মতামতো গ্ৰহণ কৰিব।

০০০০০

কৈলাস মান সৰোবৰলৈ যাত্ৰা কৰা প্ৰথমটো তীৰ্থযাত্ৰীৰ দল সফলতাৰে যাত্ৰা সামৰি কালি গেংটকত উপস্থিত হৈছে। তীৰ্যযাত্ৰীৰ দলটোৱে কালি দিনৰ ১২ বাজি ৪৫ মিনিটত নাথুলাত উপস্থিত হয় আৰু তাত

তেওঁলোকে যাত্ৰাৰ প্ৰয়োজনীয় আনুষ্ঠানিকতা সম্পূৰ্ণ কৰে। তাৰ পাছত তীৰ্থযাত্ৰীসকলক শ্বেৰেথাঙলৈ লৈ যোৱা হয় য'ত তেওঁলোকক দুপৰীয়া আহাৰৰ সময়ত ভাৰত-তিববত সীমান্ত আৰক্ষীয়ে সংগ দিয়ে।

বিয়লি ছিকিম পৰ্যটন উন্নয়ন নিগমে আয়োজন কৰা এটা অনুষ্ঠানত তীৰ্থযাত্ৰীসকলৰ মাজত যাত্ৰা সম্পূৰ্ণ কৰাৰ বাবে প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। অতিৰিক্ত মুখ্য সচিব চি এছ ৰাওৱে তীৰ্থযাত্ৰীসকলক এই যাত্ৰা সম্পূৰ্ণ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। তেওঁ লগতে মুখ্য কাৰ্যবাহী বিষয়া আৰু এছ টি ডি চিৰ পৰিচালন সঞ্চালকক যাত্ৰাৰ যাৱতীয় ব্যৱস্থা কৰা আৰু আতিথ্য আগবঢ়োৱাৰ বাবে প্ৰশংসা কৰে। তীৰ্থযাত্ৰীসকলে আজি পুৱাৰে পৰা নিজ নিজ ৰাজ্যলৈ উভতি যাবলৈ আৰম্ভ কৰিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই দেশত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ লক্ষ্যৰে প্ৰায় এক লাখ কোটি টকাৰে ৰূপায়ণ কৰিবলগীয়া কৰ্মসংস্থান বিষয়ক উদগণি আঁচনিত অনুমোদন জনাইছে। এই আঁচনিৰ অধীনত দুবছৰত দেশত ৩ কোটি ৫০ লাখৰো অধিক কৰ্মসংস্থাপন সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষৰ পহিলা আগষ্ট আৰু ২০২৭ চনৰ ৩১ জুলাইৰ ভিতৰত সৃষ্টি হোৱা চাকৰিৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব। আঁচনিৰ জৰিয়তে নিৰ্মাণ খণ্ডত বিশেষ গুৰুত্ব আৰোপেৰে সকলো ক্ষেত্ৰত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি আৰু সামাজিক সুৰক্ষা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। মন্ত্ৰীসভাৰ বৈঠকৰ সিদ্ধান্তৰ বিষয়ে নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই আঁচনিৰ অধীনত প্ৰথমবাৰৰ বাবে কৰ্মসংস্থাপন লাভ কৰা কৰ্মচাৰীসকলে এমাহৰ দৰমহা ১৫ হাজাৰ টকা পৰ্যন্ত লাভ কৰিব। তেওঁ কয়, যে নিৰ্মাণখণ্ডত দুবছৰৰ বাবে সম্প্ৰসাৰিত লাভৰ সৈতে অতিৰিক্ত কৰ্মসংস্থাপন সৃষ্টি কৰাৰ বাবে নিয়োগকৰ্তাসকলক উদগণিমূলক ধনৰাশি প্ৰদান কৰা হ'ব। মন্ত্ৰীসভাই এক লাখ কোটি টকাৰ মূলধনেৰে গৱেষণা উন্নয়ন আৰু উদ্ভাৱন আঁচনিতো অনুমোদন জনোৱা বুলি শ্ৰীবৈষ্ণৱে জানিবলৈ দিয়ে।

ooooo

সমাগত অমৰনাথ যাত্ৰাৰ বাবে তীৰ্থযাত্ৰীসকলৰ ভ্ৰমণ সুচল কৰি তোলাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকাৰী অৰ্থাৎ NHAIয়ে জম্মু-কাশ্মীৰৰ বিষয়াবৰ্গৰ সৈতে এখন পৰ্যালোচনা বৈঠকত কালি মিলিত হৈছে। ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে হোৱা এই পৰ্যালোচনা বৈঠকত ৪৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে জম্মু-কাশ্মীৰৰ ২২৮ কিলোমিটাৰজোৱা যাত্ৰাপথৰ সন্দৰ্ভত আলোচনা কৰা হয়। NHAIৰ অধ্যক্ষ সন্তোষ কুমাৰ যাদৱে এই বৈঠকত ঘাইপথ প্ৰাধিকাৰীৰ বিষয়াসকলক স্থানীয় প্ৰশাসনৰ সৈতে বন্ধুত্বপূৰ্ণ সহযোগিতাৰে কাম কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে যাত্ৰাৰ প্ৰস্তুতিৰ ক্ষেত্ৰতো সমৰ্থন আগবঢ়াবলৈ আহ্বান জনাইছে।

ooooo

মহিলাৰ টি টুৱেন্টি ক্ৰিকেটত ভাৰতে ব্ৰিষ্টলৰ কাউন্ট্ৰী গ্ৰাউণ্ডত অনুষ্ঠিত পাঁচখনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত ইংলেণ্ডক ২৪ ৰাণত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ২০অভাৰত চাৰিটা উইকেটৰ বিনিময়ত ১৮১ৰাণ কৰে। অমনজোত কৌৰে খেলখনত ৪০টা বলত অপৰাজেয় ৬৩ৰাণৰ বৰঙণি আগবঢাই প্লেয়াৰ অব দা মেচ সন্মান লাভ কৰে। খেলখনত ইংলেণ্ডে নিৰ্ধাৰিত ২০অভাৰত সাতটা উইকেটৰ বিনিময়ত ১৫৭ ৰাণ কৰিবলৈ সমৰ্থ হয়। এই জয়ৰ জড়িয়তে ভাৰতে টি টুৱেন্টি আইৰ পাঁচখনীয়া শৃংখলাৰ দুখনত জয়লাভ কৰিছে। শৃংখলাৰ তৃতীয়খন খেল শুকুৰবাৰে লণ্ডনৰ কেনিংটন অ'ভেলত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ১১ বজাত আৰম্ভ হ'ব।

ooooo

উইম্বলডন টেনিচ চেম্পিয়নশ্বিপত ফ্ৰান্সৰ আৰ্থাৰ ৰিণ্ডাৰ্কনেচে তৃতীয় স্থানৰ খেলুৱৈ আলেকজেণ্ডাৰ জাভেৰভক পাঁচ ছেটৰ এখন আকৰ্ষণীয় মেচত পৰাস্ত কৰি প্ৰতিযোগীতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। সোমবাৰে আৰম্ভ হোৱা প্ৰথম ৰাউণ্ডৰ মেচখন কালি নিশা **১১** বজাৰ বাবে স্থগিত ৰখা হৈছিল। কালি খেল পুনৰ আৰম্ভ হোৱাৰ পাছত ৰিণ্ডাৰ্কনেচে ৭-৬, ৬-৭, ৬-৩, ৬-৭,আৰু ৬-৪ছেটত জয়লাভ কৰে। উইম্বলডনত তৃতীয় ৰাউণ্ডত প্ৰৱেশৰ বাবে ৰিণ্ডাৰ্কনেচে পৰৱৰ্তী খেলখনত ক্ৰীষ্টীয়ান গাৰীনৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত